# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

শুক্ৰবাৰ, ২৮ নবেম্বৰ, ২০২৫

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্ত্তন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, ভূমি সংৰক্ষণ, পৰিবহন, বড়োলেণ্ড কল্যাণ।**

প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০

*বিষয় ঃ* **মাজুলী কৃষি ক্ষেত্ৰত জলসিঞ্চন ব্যৱস্থাৰ উন্নয়ন সম্পৰ্কত।**

শ্ৰী ভূবন গাম ঃ

* ৬১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাজুলীত কৃষি ক্ষেত্ৰৰ যোগেদি স্বাৱলম্বী হোৱাৰ সম্ভাৱনা যথেষ্ট বেছি। কিন্তু বৰ্তমান কৃষি ক্ষেত্ৰত সময়মতে পানী যোগান ধৰিব পৰাকৈ পৰ্য্যাপ্ত ব্যৱস্থা নথকাৰ বাবে কৃষক সকলে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে আৰু উৎপাদনো কমি আহিছে। চৰকাৰে জলসিঞ্চন ব্যৱস্থাৰ উন্নত কৰাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে?

(খ) কেতিয়াৰ পৰা এই ব্যৱস্থা সমূহ উপযোগী কৰি তুলিব পৰা যাব? সেই বিষয়ে জনাব।

*বিষয় ঃ* **লাট মণ্ডল নিযুক্তি সম্পৰ্কে**

শ্ৰী ধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

* ৬২। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰায় বিলাক ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত লাট মণ্ডলৰ অভাৱ দেখা গৈছে? ২০২০-২০২৩ বৰ্ষত লাট মণ্ডলৰ পদৰ বাবে RCCC প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰায় ৪০০ গৰাকী যুৱক-যুৱতী থকাৰ পিছতো কিয়

এই পদত এতিয়ালৈকে তেওঁলোকৰ নিযুক্তিৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই?

(খ) তেওঁলোকক পূৰ্বৰ লাট মণ্ডল বা বৰ্তমানৰ LRA হিচাপে নিযুক্তিৰ ক্ষেত্ৰত বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*Subject* : **Payment of RG etc. under Baghbar & Kalgachia Revenue Circles.**

Shri Sherman Ali Ahmed :

* 63. Will the Minister of Revenue & Disaster Management Department be pleased to state :

(a) Whether RG proposed vide no. KGC/DM-4/Fire/2017-18/1542 dated 08-10-2024 paid to Babul Hoque?

(b) Whether RG paid to Alauddin, s/o Lt. Rafijuddin of Uzrirarchar for fire incident vide Alopoti Chor PS GDE no. 198/19 dated 13-02-2019 ?

(c) Whether RG paid to NOK of Lt. Sajim Uddin, s/o Abdul Kaddus of Chaysimana vide Baghbar PS GDE no. 206 dated 15-07-2018 ?

(d) Whether RG paid to Abdul Sattar, Sahajamal s/o Abdul Sattar, Saijuddin s/o Abdul Sattar, Rafiqul Islam s/o Lt. Moyan Uddin of Paschim Moinbari vide memo no. 45/D-2(i)(B)/2022-23 dated 10-03-2025 to DC, Barpeta ?

(e) Whether RG proposed vide no. KGC.2/09-10/2440 dated 02-02-2012 paid to Abul Kalam Azad ?

(f) Whether RG proposed vide no. BBRC/RR-04/2015/478 dated 23/05/2018 paid to Shahjahan Ali ?

(g) Whether RG proposed vide no. BBRC/RR-04/2015/398-400 dated 26-05-2020 paid to Fulchan Ali, Surat Ali, Soleman Ali, Sorbhan Nessa, Abdul Barek and Kamal Khan?

(h) If yes, please furnish details in each case including CO's proposal.

*বিষয়ঃ* **কাটিগড়া বিধানসভা সমষ্টির দেবোত্তর জমি সম্পর্কিত।**

শ্রী কমলাক্ষ দে পুরকায়স্থ ঃ

* ৬৪। মাননীয় রাজস্ব ও দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটিগড়া বিধানসভা সমষ্টির অন্তর্গত মহাদেবপুর তৃতীয় খণ্ডের রাধামাধব মন্দিরের নামে নিবন্ধিত দেবোত্তর জমি প্রায় ১৩৪ বিঘা জমি ইসলাম ধর্মাবলম্বী আব্দুল গফুর, আব্দুল মালিক, নূরুনেছা চৌধুরী, সায়না বেগম চৌধুরী, ইমরানা বেগম চৌধুরী নামে খতিয়ান হয়ে বেআইনীভাবে দখলীকৃত অবস্থায় আছে। উল্লেখিত ব্যক্তিদের নামে কীভাবে দেবোত্তর জমি খতিয়ান হলো বিষয়টি নিয়ে সরকার কী

অবগত আছেন? যদি অবগত, তবে সে ব্যাপারে সরকার কী ধরনের ব্যবস্থা গ্রহণ করেছেন তাহার তথ্য সদনে প্রকাশের জন্য অনুরোধ রাখছি।

(খ) দেবোত্তর জমি কবে সম্পূর্ণ ভাবে বেদখলমুক্ত করা হবে এবং কবে বেদখলকারীদের বিরুদ্ধে প্রয়োজনীয় আইনী ব্যবস্থা গ্রহণ করা হবে তাহার উত্তর আমি সদনে প্রকাশ করার জন্য অনুরোধ রাখছি।

(গ) কাটিগড়া বিধানসভা সমষ্টির এরকম আরোও অনেক জায়গা বেআইনীভাবে বেদখলকারীদের হাতে দখলাবস্থায় আছে। সেই বিষয়ে সরকার কী অবগত আছেন? যদি অবগত, তবে কী সেই জমিগুলো সনাক্তকরণ করা হয়েছে?

*বিষয়ঃ* **কাটলিছড়া মনিপুরে প্রস্তাবিত মডেল কলেজের জমি আবণ্টন।**

শ্রী জাকির হুসেন লস্কর ঃ

* ৬৫। মাননীয় রাজস্ব ও দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটলিছড়া মনিপুরে কৃষি বিভাগের জমিতে প্রস্তাবিত মডেল কলেজ যেখানে স্থাপিত হবে সেখানে বর্তমানে কৃষি বিভাগের Existing কত পরিমাণ জমি আছে?

(খ) এই জমি কৃষি বিভাগ এতদিন কি কাজের জন্য ব্যবহার করে এসেছিল? বিস্তারিত তথ্য সদনে জানানোর জন্য অনুরোধ করছি।

(গ) সম্প্রতি সামাজিক মাধ্যমে ভাইরেল একটি অডিও বার্তার কথোপকথনে কাটলিছড়া সমষ্টির সন্মানিত বিধায়ক মহাশয় উল্লেখ করেছেন যে তিনি একজন পাটোয়ারীকে মেনেজ করে কৃষি বিভাগের জমি মডেল কলেজে হস্তান্তর করার সুবিধাজনক পরিস্থিতি তৈরি করেছেন। সরকার কি সেই নির্দিষ্ট পাটোয়ারীকে আইনের আওতায় এনে তদন্ত করার ব্যবস্থা করেছে? সেই বিষয়ে বিস্তারিত তথ্য সদনে জানানোর জন্য অনুরোধ করছি।

*বিষয়ঃ* **খালী পদ সম্পর্কে**

ড° পৰমানন্দ ৰাজবংশী ঃ

* ৬৬। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছিপাঝাৰ সমজিলাত কিমান গাঁও প্ৰধানৰ পদ খালী হৈ আছে? পথৰুঘাট ৰাজহ চক্ৰ আৰু ছিপাঝাৰ ৰাজহ চক্ৰ কাৰ্য্যালয়ত কিমান সংখ্যক পদ কিমান বছৰ ধৰি খালী হৈ আছে? প্ৰতিখন গাঁওসহ পুংখানুপুংখ তথ্য প্ৰদান কৰিব।

(খ) কি কাৰণত বছৰ বছৰ ধৰি এই পদসমূহ পূৰণ কৰা হোৱা নাই? ইয়াৰ সবিশেষ সদনত দাখিল কৰিব।

*বিষয়ঃ* **খালী পদ**

শ্ৰী ছামছুল হুদা ঃ

* ৬৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৭ নং পূৱ বিলাসীপাৰা সমষ্টিৰ

অন্তৰ্গত চিকিৎসালয় সমূহত খালী হৈ থকা পদৰ সংখ্যা কিমান? পদ অনুযায়ী খালী পদৰ সংখ্যা, চিকিৎসালয়ৰ নামৰ বিপৰীতে সম্পূৰ্ণ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) ২০২১ চনৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ বিভাগে ২৭ নং পূব বিলাসীপাৰা সমষ্টিৰ চিকিৎসালয় সমূহৰ আন্তঃগাঁথনি, সা-সৰঞ্জামৰ কাৰণে কিমান টকাৰ অনুদান দিছিল? ধনৰ পৰিমাণ, ক'ত ক'ত কাম কৰা হ'ল, চৰজমিন তদন্ত কৰি বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয়ঃ* **অবৈধ মানৱ অংগ সৰবৰাহ সম্পৰ্কে**

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

* ৬৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত দহ বছৰত অসমত The Transplantation of Human Organs & Tissues Act 1994 আইনৰ ১৬ (২) অধীনত কিবা গোচৰ ৰুজু হৈছে নেকি? যদি হৈছে, বিতং তথ্য দাঙি ধৰিব।

(খ) ২০২১ চনত মৰিগাঁৱত সংঘটিত হোৱা অবৈধ মানৱ অংগ বিক্ৰী আৰু সৰবৰাহৰ বিস্তৃত তদন্ত চৰকাৰৰ সন্মুখত দাখিল কৰা হৈছিল নেকি? যদি হৈছে, বিতং তথ্য দাঙি ধৰিব।

(গ) সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ দৰে শেহতীয়াকৈ হোজাইত এজন দুখীয়া নাগৰিকে নিজৰ এটা বৃক্ক বিক্ৰী কৰিবলৈ বাধ্য হোৱা ঘটনাৰ বিষয়ে চৰকাৰ অৱগত নেকি? যদি অৱগত, তেন্তে যোৱা পাঁচ বছৰত ভুক্তভোগীৰ পৰিয়াল আৰু আন আন এনে ধৰণে শোষণৰ সন্মুখীন হোৱা লোকৰ পৰিয়ালক আৰ্থিকভাৱে সহায় কৰিবলৈ চৰকাৰে বিবেচনা কৰা ব্যৱস্থাসমূহৰ সবিশেষ তথ্য সদনত দাঙি ধৰিব।

*বিষয়ঃ* **জলসিঞ্চন বিভাগৰ আঁচনি সম্পৰ্কে**

শ্ৰী আফতাব উদ্দিন মোল্লা ঃ

* ৬৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ লগতে জলেশ্বৰ সমষ্টিত বেছিভাগ মানুহেই কৃষি কাৰ্য্যৰ লগত জড়িত যদিও তাত বিজ্ঞানসন্মত ভাৱে কোনো ধৰণৰ আধুনিক প্ৰকল্প বা কৃষি বিদ্যালয় বা মহাবিদ্যালয় নাই, সেয়েহে উক্ত অঞ্চলৰ খেতিয়কৰ সুবিধাৰ্থে বিজ্ঞানসন্মত ভাৱে আধুনিক প্ৰকল্প বা কৃষি মহাবিদ্যালয় এখন স্থাপন কৰিবনে?

(খ) জলেশ্বৰ সমষ্টিত ২০২১ চনৰ পৰা আজিলৈকে বিভাগৰ ফালৰ পৰা কেইটা আঁচনি অনুমোদিত হৈছে আৰু কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? তথ্য সহকাৰে জনাব।

(গ) জলেশ্বৰ সমষ্টিত ২০২১ চনৰ পৰা আজিলৈকে কেইখন MDTW আঁচনিৰ অনুমোদন বা ৰূপায়ণ কৰা হৈছে, তথ্য সহকাৰে জনাব।

*বিষয়ঃ* **চৰকাৰী ভূমিৰ আবণ্টন আৰু ''বসুন্ধৰা''ৰ সাফল্য।**

শ্ৰী অখিল গগৈ ঃ

* ৭০। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১০ মে', ২০১৬ তাৰিখৰ পৰা বৰ্তমানলৈকে অসমৰ কোন কোন ৰাজহ চক্ৰত ভাৰতীয় জনতা পাৰ্টি (BJP) ৰ বিভিন্ন

পৰ্য্যায়ৰ সমিতিক অথবা তেওঁলোকৰ দলৰ বিভিন্ন ফ্ৰণ্টক চৰকাৰী ভূমি, চৰকাৰী খাছ মাটি, পিজিআৰ আৰু ভিজিআৰ অথবা কোনো চৰকাৰী বিভাগৰ নামত থকা মাটি আবণ্টন, পট্টন, বন্দৱস্তি, লীজ অথবা অন্য কোনো প্ৰকাৰে হস্তান্তৰ কৰা হৈছে, ৰাজহ চক্ৰ অনুসৰি নিৰ্দিষ্ট সমিতিৰ নাম / ব্যক্তিৰ নাম, মাটিৰ পৰিমাণ আৰু প্ৰিমিয়ামৰ পৰিমাণ উল্লেখ কৰি সদনক বিস্তাৰিত তথ্য দিব।

(খ) এই সময়খিনিত আন কোন কোন ৰাজনৈতিক দল, সংগঠন আদিক এনেকৈ ক'ত ক'ত মাটিৰ আবণ্টন দিয়া হৈছে?

(গ) "বসুন্ধৰা"ৰ অধীনত এতিয়ালৈকে অসমৰ কিমান পৰিয়ালে আবেদন কৰিছিল, কিমানে ভূমিপট্টা পালে, জিলা অনুসৰি তথ্য দিব। এই পট্টাৰ বাবদ চৰকাৰে কিমান প্ৰিমিয়াম পালে, জিলা অনুসৰি তথ্য দিব।

*বিষয়ঃ* **স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ সম্পৰ্কে**

শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ

* ৭১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ স্বাস্থ্য বিভাগত বৰ্তমান কিমান পদ খালী আছে? তালিকা দিব। এই খালী পদসমূহ কেতিয়া পূৰণ কৰা হ'ব? বিতংভাৱে জনাব।

(খ) অসমত নতুনকৈ উপ-স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰাৰ পৰিকল্পনা আছে নেকি? যদি আছে, ক'ত ক'ত স্থাপন কৰা হ'ব জনাব।

(গ) পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টিৰ কুকাৰপাৰত নিৰ্মাণ সম্পূৰ্ণ হোৱা স্বাস্থ্য কেন্দ্ৰ এতিয়ালৈকে কিয় মুকলি কৰা হোৱা নাই আৰু কেন্দ্ৰটো কেতিয়া মুকলি কৰাৰ ব্যৱস্থা কৰা হ'ব? সবিশেষ জনাব।

(ঘ) পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টিৰ ভক্তৰডবা আদৰ্শ চিকিৎসালয়খন প্ৰয়োজনীয় চিকিৎসক কেতিয়া নিযুক্তি দিব? এই চিকিৎসা কেন্দ্ৰখন উন্নত কৰিবলৈ চৰকাৰে কি পদক্ষেপ হাতত লৈছে জনাব।

(ঙ) কয়াকুছি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কেতিয়া উন্নত কৰা হ'ব? বিতংভাৱে জনাব।

*বিষয়ঃ* **কৃষি ভূমি সম্পৰ্কে**

শ্ৰীমতী শিৱামণি বৰা ঃ

* ৭২। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত ২০২০-২১ বৰ্ষত মুঠ কিমান বিঘা কৃষি ভূমি আছিল?

(খ) ২০২১-২২ বৰ্ষত ৰাজ্যখনৰ মুঠ কিমান বিঘা কৃষি ভূমিৰ শ্ৰেণীৰ পৰিৱৰ্তন কৰা হৈছিল?

(গ) ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ চনত বৰ্ষ অনুযায়ী কিমান বিঘা কৃষি ভূমিৰ শ্ৰেণী পৰিৱৰ্তন কৰা হ'ল? সদনত তথ্য দাখিল কৰিব।

*Subject :* **Functionality of Health Centers in Dholai Constituency.**

Shri Nihar Ranjan Das :

* 73. Will the Minister of Health & Family Welfare Deptt. be pleased to state :

(a) Please furnish the number of Sub-Centres, Primary Health Centres and Community Health

Centres in Dholai constituency.

(b) How many of these centres are functioning without a regular doctor, ANM and adequate supply of essential medicines ?

(c) What steps are being taken to filled up the post of doctors and staff to ensure 24/7 functionality of the key health institutions in the constituency ?

*বিষয়ঃ* **ভূমি সংৰক্ষণ বিভাগৰ আঁচনি**

হাফিজ বচিৰ আহমেদ ঃ

* ৭৪। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৰাখহনীয়া, ভূমিস্খলন আৰু আবদ্ধ হৈ থকা পানী নিষ্কাষণৰ বিষয়বোৰ সমাধানৰ বাবে চৰকাৰৰ কি কি আঁচনি আছে? আঁচনি প্ৰস্তুত কৰোতে ক্ষেত্ৰভিত্তিক পৰিদৰ্শনৰ মাজেৰে আঁচনি পৰিকল্পনা কৰা হয়নে?

(খ) বৰ্তমানলৈকে ধুবুৰী আৰু গোৱালপাৰা জিলাত মুঠ কিমানখন আঁচনি ৰূপায়ণ কৰিলে? জিলা ভিত্তিত আঁচনিৰ বিতং তথ্য সদনত দাখিল কৰিব।

(গ) বিগত তিনিটা বিত্তীয় বৰ্ষত উক্ত জিলা দুখনত কোন কোন শিতানত কি কি আঁচনি মঞ্জুৰী দিছে?

*বিষয়ঃ* **ASSAMSAT ৰ সম্পৰ্কে**

শ্ৰী প্ৰদীপ সৰকাৰ ঃ

* ৭৫। মাননীয় তথ্য আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে শাসন ব্যৱস্থা আৰু জনকল্যাণমূলক পদক্ষেপসমূহত মহাকাশ তথ্য ব্যৱহাৰৰ সন্দৰ্ভত ISRO ৰ সহায়ত নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিছে নেকি? যদি প্ৰস্তুত কৰা হৈছে, তেন্তে এতিয়ালৈকে সম্পূৰ্ণ কৰা নীতি-নিৰ্দেশনাসমূহৰ বিৱৰণ দাঙি ধৰিব।

(খ) চৰকাৰে ISROৰ সৈতে সহযোগিতাৰে ASSAMSAT ৰ জৰিয়তে বানপানী পূৰ্বানুমানৰ বাবে প্ৰাসংগিক মানদণ্ডসমূহ চিনাক্ত কৰিবলৈ কোনো মূল্যায়ন বা প্ৰযুক্তিগত অধ্যয়ন সম্পন্ন কৰিছে নেকি? যদি কৰা হৈছে, তেন্তে সম্পন্ন কৰা অধ্যয়ন আৰু এতিয়ালৈকে লাভ কৰা মুখ্য পৰিণাম সমূহৰ বিৱৰণ দাঙি ধৰিব।

(গ) ASSAMSAT ৰ উন্নয়ন, পৰীক্ষা আৰু কাৰ্য্যকৰী ৰূপে আৰম্ভ কৰাৰ বাবে চৰকাৰে সময়সীমা নিৰ্ধাৰণ কৰিছে নেকি? যদি কৰিছে, তাৰ বিস্তাৰিত তথ্য দাঙি ধৰিব।

*বিষয়ঃ* **মডেল চিকিৎসালয়**

শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ

* ৭৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ফকিৰগঞ্জ মডেল চিকিৎসালয়ত কিমান চিকিৎসক আৰু অন্যান্য কৰ্মচাৰী নিযুক্তি দিয়া হৈছে আৰু তেওঁলোক উক্ত চিকিৎসালয়ত কাম কৰি আছেনে?

(খ) ফকিৰগঞ্জ মডেল চিকিৎসালয়ত চিকিৎসক আৰু অন্যান্য কৰ্মচাৰীৰ কিছুমান অন্য চিকিৎসালয়ত Attachment দিয়া হৈছে নেকি? যদি দিয়া হৈছে, তেওঁলোকক Deattach কৰি উক্ত মডেল চিকিৎসালয়ত কাম কৰিব দিব নেকি?

*বিষয়ঃ* **ভূ-গৰ্ভস্থ পানীৰ সম্পৰ্কে**

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

* ৭৭। মাননীয় বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৩-১৪ চনত অসমৰ ভূ-গৰ্ভস্থ পানীৰ পৰিমাণ কিমান আছিল আৰু এতিয়া ২০২৪-২০২৫ চনত অসমৰ ভূ-গৰ্ভস্থ পানীৰ পৰিমাণ কিমান?

(খ) উত্তৰ পূৰ্ব পৰিষদৰ ২০২৫ চনৰ Year Book আৰু নেচনেল কম্পাইলেচন ডাইনামিক গ্ৰাউণ্ড ৱাটাৰ ৰিছ'ৰ্চ অফ ইণ্ডিয়াৰ তথ্যত অসমৰ ভূ-গৰ্ভস্থ পানীৰ সম্পৰ্কত কি তথ্য প্ৰকাশ পাইছিল, জনাবনে?

(গ) অসমৰ কোন কেইখন জিলাক Water Stressed District ৰূপে চিহ্নিত কৰিছে? Water Stressed District ৰূপে চিহ্নিত কৰাৰ কাৰণ কি?

(ঘ) ভূ-গৰ্ভস্থ পানীৰ পৰিমাণ ক্ৰমশঃ হ্ৰাস পোৱাৰ বাবে এটা সময়ত এক জটিল অৱস্থাৰ সৃষ্টি নহ'বনে? এই ক্ষেত্ৰত চৰকাৰে ভৱিষ্যতৰ এই জটিল অৱস্থাৰ বাবে কিবা পৰিকল্পনাৰ কথা চিন্তা কৰিছেনে?

*বিষয়ঃ* **মিছন বসুন্ধৰা ৩.০ সম্পৰ্কে**

শ্ৰী দেৱব্ৰত শইকীয়া ঃ

* ৭৮। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মিছন বসুন্ধৰা ৩.০ আৰম্ভ হোৱাৰ পৰা বৰ্তমানলৈকে চৰকাৰে ভূমিহীন অনুসূচীত জনজাতীয় লোকসকলক ভূমি পট্টা প্ৰদানৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিছে? বিতং তথ্য জনাব।

(খ) মিছন বসুন্ধৰা অধীনত ভূমি পট্টা লাভ কৰাৰ বাবে যোগ্য ৰূপে চিহ্নিত হোৱা লোকসকলৰ বাচনি প্ৰক্ৰিয়া কেনেধৰণৰ আছিল? বিতং তথ্য জনাব।

(গ) বন বিভাগৰ লগত সমন্বয় স্থাপন কৰি ৰাজহ বিভাগে বনাঞ্চলৰ ওচৰত বা বন বিভাগৰ অধীনত ভূমিত বাস কৰা খিলঞ্জীয়া লোকসকলৰ দাবীসমূহৰ সমাধানৰ বাবে কিবা পদক্ষেপ গ্ৰহণ কৰিছিল নেকি? যদি কৰিছিল, তেন্তে আঁচনিখন কাৰ্যকৰী হোৱাৰ পিছৰে পৰা খিলঞ্জীয়া লোকসকলৰ দাবী সমূহৰ বিতং তথ্য জনাব।

(ঘ) বসুন্ধৰা ১ আৰু বসুন্ধৰা ২ৰ মুঠ আবেদনকাৰীৰ সংখ্যা কিমান? বসুন্ধৰা ১ আৰু বসুন্ধৰা ২ৰ অধীনত কিমান আবেদনকাৰীক মাটিৰ আবণ্টন প্ৰদান কৰা হ'ল? ৰাজহ চক্ৰ অনুযায়ী তথ্য উল্লেখ কৰিব। বসুন্ধৰা ১ আৰু ২ত মুঠ কিমান মাটিৰ আবণ্টনৰ আবেদন গ্ৰহণ কৰা নহ'ল?

*Subject :* **Notifications of PGR, VGR, Protected Land and Evictions in Goalpara District.**

Shri Abdur Rashid Mandal :

* 79. Will the Minister of Revenue and Disaster Management Department be pleased to state :

(a) Please furnish the copies of all notifications of the Govt. of Assam regarding PGR, VGR and

Protected Land in Goalpara district available with the Govt.

(b) Will Govt. furnish in details regarding allotment of land measuring 300 B OK OL covered by Dag No.-275, 285, 286 of village Nidanpur Part-II under Lakhipur Revenue Circle in favour of 607 landless families out of the land previously reserved for ex-servicemen vide resolution adopted in the meeting of District Land Advisory Committee of Goalpara in November, 2006 at 6 (r), Will Govt. implement the resolution or cancel it ? If yes, when ? If not, why ?

(c) Numbers of individual's families, Govt.institutions, private institutions, Govt. infrastructure evicted year-wise and district-wise during the period 2017/18 to 2025-26 with areas thus evacuated. How much Govt. money is spent for conducting the entire evictions, what will be the values of Govt. properties and private properties which are damaged by the entire eviction ? Details of such evicted families who are rehabilitated and expenditures incurred for the purposes during the period.

(d) How many foreigners are identified as foreigners among the evicted families during the period of 2017-18 to 2025-26.

*বিষয়ঃ* **108 Ambulance চালক আৰু সহায়কৰ সম্পৰ্কে।**

শ্ৰী যাদৱ স্বৰ্গীয়াৰী ঃ

* ৮০। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত চলি থকা 108 Ambulance ৰ সংখ্যা জিলা ভিত্তিত তথ্য সহকাৰে জনাব।

(খ) 108 Ambulance ৰ চালক আৰু সহায়কৰ চাকৰি স্থায়ীকৰণ হ'ল নে ? যদি নহয় কেতিয়া কৰিব, সবিশেষ জনাব।

(গ) ৰাজ্যত বহুত 108 Ambulance সেৱা ব্যাহত হৈ আছে, জৰাজীৰ্ণ সমূহ মেৰামতিৰ ব্যৱস্থা কৰিছেনে ? জনাব।

---

A.G.P. (Mini) LAQ - 24/2025/611-750-22-11-2025